যি ব্যক্তিয়ে পুৱা-গধূলি মছজিদলৈ যায় আৰু যিমানবাৰ যায়, সিমান বাৰেই আল্লাহে তেওঁৰ বাবে জান্নাতত আপ্যায়ন সামগ্ৰী প্ৰস্তুত কৰে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি ব্যক্তিয়ে পুৱা-গধূলি মছজিদলৈ যায় আৰু যিমানবাৰ যায়, সিমান বাৰেই আল্লাহে তেওঁৰ বাবে জান্নাতত আপ্যায়ন সামগ্ৰী প্ৰস্তুত কৰে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত মছজিদলৈ অহা প্ৰত্যেক সেই ব্যক্তিক সুসংবাদ দিছে, যিয়ে মছজিদলৈ আহে, ইবাদতৰ বাবেই হওক অথবা ইল্ম অৰ্জনৰ বাবেই হওক নাইবা বেলেগ কোনো কল্যাণকৰ কামৰ উদ্দেশ্যেই আহক, যি সময়তে নাহক কিয়, দিনৰ প্ৰথম সময়ছোৱাত আহক বা শেষৰ সময়ছোৱাত, আল্লাহে তাৰ বাবে জান্নাতত আতিথ্যৰ ব্যৱস্থা কৰে আৰু আপ্যায়নৰ বাবে উত্তম ঠাই প্ৰস্তুত কৰে। দিনে ৰাতি যি সময়তে তেওঁ মছজিদলৈ আহে সেই সময়তে তাৰ বাবে এই প্ৰস্তুতি লোৱা হয়।

http://sunnah.global/hadeeth/as/show/5436